# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

India's National Spiritual Newspaper

₹ 10/-

1969 to 2029 ECHO OF HIS CALL SINCE 1969

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

Vol. XXVI | YEAR OF OUR LORD JESUS CHRIST, 2026 JANUARY | No. 07

### পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

**যোৱেল ২:২১-২৬**

২১। হে দেশ ভয় নকৰিবা, উল্লাসিত হৈ আনন্দ কৰা; কিয়নো যিহোৱাই মহৎ কাৰ্য্য কৰিলে।

২২। হে পথাৰৰ পশুবিলাক, ভয় নকৰিবা; কিয়নো অৰণ্যত থকা চৰণীয়া ঠাইত ঘাঁহ গজিছে, গছে গুটি ধৰিছে, ডিমৰু গছ আৰু দ্ৰাক্ষালতাই নিজ নিজ ফল উৎপন্ন কৰিছে।

২৩। হে চিয়োনৰ সন্তানবিলাক, তোমালোক আনন্দিত হোৱা আৰু তোমালোকৰ ঈশ্বৰ যিহোৱাত উল্লাস কৰা; কিয়নো তেওঁ তোমালোকক উচিত পৰিমাণে আগতীয়া বৰষুণ দিছে, আৰু আগৰ দৰে জাকে জাকে আগতীয়া আৰু শেহতীয়া বৰষুণ বৰষাইছে।

২৪। মৰণা মৰা খলাবোৰ শস্যৰে পূৰ হ'ব, দ্ৰাক্ষাৰস আৰু তেলেৰে কুণ্ডবোৰ উপচিব।

২৫। আৰু তোমালোকৰ মাজলৈ মই পঠোৱা সৈন্য-সামন্তই, কাকতী ফৰিং, চেলেকা ফৰিং, বিনাশকাৰী ফৰিং আৰু কুটি খোৱা ফৰিঙে সেই কেইবছৰ খোৱাখিনি মই পুনৰায় তোমালোকক দিম।

২৬। তাতে তোমালোকে প্ৰচুৰ পৰিমাণে খাই তৃপ্ত হ'বা আৰু তোমালোকলৈ আচৰিতৰূপে কাৰ্য্য কৰা আৰু তোমালোকৰ ঈশ্বৰ যিহোৱাৰ নামৰ প্ৰশংসা কৰিবা; মোৰ প্ৰজাবিলাকে কেতিয়াও আৰু লাজ নাপাব।

## এই নতুন বছৰত যি হেৰুৱালে সেয়া আপুনি পুনৰ ল'ব পাৰিব !

–ভনী. এঞ্জেল

**YOU CAN RECLAIM WHAT YOU LOST IN THIS NEW YEAR!**





আপোনালোকৰ বাবে ২০২৬ চন অতি সুখ আৰু ধন্য। আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ আচৰিত নামত তেওঁৰ আহ্বান মুখ্য কাৰ্যালয়ৰ প্ৰতিধ্বনিৰ পৰা শুভেচ্ছা আৰু আশীৰ্বাদ।

এই নৱবৰ্ষত প্ৰৱেশ কৰাৰ লগে লগে আমি স্বাভাৱিকতে যি হৈছে তাক পিছলৈ ঘূৰি চাওঁ আৰু আগলৈ কি হ'ব তাৰ প্ৰতি আগ্ৰহী। কিছুমান বছৰ যুদ্ধৰ দৰে অনুভৱ হয়; আন কিছুমান বিৰাট সাফল্য অৰ্জনৰ ঋতু হৈ পৰে। ১ বংশাৱলী ১৮:১ পদত আমাক সোঁৱৰাই দিয়ে যে সময়ৰ লগে লগে ঈশ্বৰে ঐশ্বৰিক পৰিৱৰ্তন আনে- সেই মুহূৰ্তবোৰ যেতিয়া বহু প্ৰত্যাশিত বিজয়বোৰ অৱশেষত প্ৰকাশ পায়।

৩ পৃষ্ঠাত চাওঁক



ইখ অফ হীজ কল

৫ মিনিট বাৰ্তা

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

ইংৰাজী, হিন্দী, তামিল আৰু তেলেগু

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি - (Marching towards 60th year)
Estd. 1969



# আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোধক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

**HON. EDITOR-IN-CHIEF**
Rev. Dr. Angeline S. Kumari, M.A., M.Sc., M.Ed.
**EX MANAGING EDITOR**
Pastor Alex Samson Sam, B.Th., M.Div.
**GENERAL MANAGER**
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM, MBA.
**ADMINISTRATION**
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
**EDITORIAL BOARD**
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Rev. Dr. K.R. Rajasekaran
Rev. Dr. William Robert, Ph.D., DD, D.Lit.
**EDITOR, PUBLISHER & PRINTER**
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858 95661 31858
**E.MAIL**
sam@echoofhiscall.org
biblecor@yahoo.co.in
**WEBSITES**
www.echoofhiscall.org
www.stpaulsmatriculation.org
**YOUTUBE CHANNEL**
Echo of His Call

*... তোমাৰ ঈশ্বৰ যিহোৱাৰ চকু তালৈ সদায় বছৰৰ আৰম্ভণিৰে পৰা বছৰৰ শেষলৈকে থাকে।*

*– দ্বিতীয় বিবৰণ ১১:১২*

প্ৰভুত মোৰ প্ৰিয়,

আমাৰ প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ বহমূলীয়া নামেৰে আপোনালোকক শুভেচ্ছা জনাইছো। আমি আপোনালোকৰ লগতে আপোনালোকৰ পৰিয়ালবৰ্গলৈ আশীৰ্বাদ আৰু প্ৰগতিশীল নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰিছো।



মণ্ডলীৰ চলাওতাসকল আৰু জ্যেষ্ঠসকলৰ সভা

আমাৰ বহুতেই হয়তো যোৱা এটা বছৰত কষ্ট আৰু সংগ্ৰামৰ সন্মুখীন হৈছিল, আৰু কেতিয়াবা আনকি ঈশ্বৰ নিমাত হৈ থকা যেন লাগিছিল। তথাপিও আমি শাস্ত্ৰত পঢ়াৰ দৰে যোচেফক গাঁতৰ পৰা ৰাজপ্ৰসাদলৈ তুলি দিয়া হ'ল। তেওঁৰ দুখ-কষ্টৰ সময়ত ঈশ্বৰে তেওঁক তৎক্ষণাত সান্ত্বনা দিয়া নাছিল আৰু ইয়াৰ দ্বাৰা প্ৰায়ে আমাৰ নিজৰ অভিজ্ঞতা প্ৰতিফলিত হ'ব পাৰে। কিন্তু তেওঁৰ নিখুঁত সময়ত ঈশ্বৰে আপোনাক উচ্চ স্থানলৈ লৈ যাব।

ঈশ্বৰে উপযুক্ত সময়ত তোমালোকক যেন উন্নত কৰে, এই কাৰণে তেওঁৰ পৰাক্ৰমী হাতৰ অধীনত নিজকে নত কৰা। - ১ পিতৰ ৫:৬


প্ৰভুৱে এই নতুন বছৰটোক নবীকৰণৰ বছৰ হিচাপে গঢ়ি তোলক আৰু তেওঁ আপোনাৰ বাবে মুকলি কৰা নতুন পথৰ জৰিয়তে আপোনাক বহুবিধ আশীৰ্বাদেৰে পৰিপূৰ্ণ কৰক।

যিহোৱাই কৈছে, "কিয়নো মই সৃষ্টি কৰিবলগীয়া নতুন আকাশ মণ্ডল আৰু নতুন পৃথিৱী যেনেকৈ মোৰ সন্মুখত থাকিব, তেনেকৈ তোমাৰ বংশ আৰু তোমাৰ নাম থাকিব।" — যিচয়া ৬৬:২২ পদ।

এই বছৰ আমাৰ সন্মুখত বহু পৰিচৰ্য্যাসমূহ আছে - যিবোৰ কাম কেৱল মানুহৰ প্ৰচেষ্টাৰ দ্বাৰা একেবাৰে অসম্ভৱ। আমি আমাৰ প্ৰাৰ্থনাত আপোনাকক স্মৰণ কৰি থাকিলেও আপোনালোকৰ প্ৰাৰ্থনাৰ বাবে আন্তৰিকতাৰে অনুৰোধ কৰিছো। নিশ্চয়, আপুনি ধন্য হ'ব।

**Our Ministries:** ◘ ECHO OF HIS CALL Monthly Magazines (16 languages) ◘ BIBLECOR - Postal Courses (3 languages) ◘ YouTube Ministry ◘ Online Courses ◘ Theological Correspondence Courses (2 languages) ◘ Church Planting ◘ Nehemiah Bible Colleges ◘ Gospel Printing Press ◘ Great Commission Partners ◘ St. Paul's Matriculation School ◘ Crusades ◘ Community Development

## তলত অনুসৰণ কৰিবলগীয়া তিনিটা গুৰুত্বপূৰ্ণ নীতি উল্লেখ কৰা হ'ল ঃ




১। আপোনাৰ মণ্ডলী আৰু আপোনাৰ পালকক প্ৰেম কৰক। সকলো আৰাধনা উপাসনাত নিয়মীয়া হওক। সুস্থ মতবাদত শক্তিশালী হওক।

২। নিজৰ প্ৰাৰ্থনা জীৱনক অগ্ৰাধিকাৰ দিয়ক আৰু অহৰহ ঈশ্বৰৰ সান্নিধ্যত থাকক।

৩। ঈশ্বৰে আপোনাক কৃপা কৰি দিয়া স্বাস্থ্য, বিত্তীয় আৰু আশীৰ্বাদ অনুসৰি নিষ্ঠাৰে প্ৰভুৰ সেৱা কৰক।

আমি প্ৰাৰ্থনা কৰোঁ যে আগন্তুক দিনত আপুনি ঈশ্বৰৰ সুৰক্ষা, তেওঁৰ মঙ্গল আৰু তেওঁৰ প্ৰতিজ্ঞাৰ পূৰ্ণতা উপভোগ কৰিব।

অনুগ্ৰহ আপোনালোক সকলোৰে লগত হওক।

খ্ৰীষ্ট যীচুত আপোনালোকৰ সেৱক,

পালক এছ চাম চেলভা ৰাজ ইমেইল ঃ sam@echoofhiscall.org

১ম পৃষ্ঠাৰ পৰা



**দায়ুদে ফিলিষ্টীয়াসকলক পৰাস্ত কৰি তেওঁলোকক বশ কৰিলে**

দায়ুদে ফিলিষ্টীয়াসকলৰ লগত বহু বছৰ ধৰি সংঘাতৰ সন্মুখীন হৈছিল। তথাপিও ঈশ্বৰৰ নিখুঁত সময়ত সকলো সলনি হৈ গ'ল। সেই পদটোৱে এটা পৰিৱৰ্তনক চিহ্নিত কৰে - যেতিয়া প্ৰতিশ্ৰুতিবোৰ উন্মোচিত হ'বলৈ ধৰিলে আৰু শত্ৰুক বশ কৰা হ'ল।

২০২৬ চনত ভৰি দিয়াৰ লগে লগে এই শাস্ত্ৰাংশটিয়ে আমাক আশ্বস্ত কৰে যে ঈশ্বৰৰ সময় কেতিয়াও দেৰি নহয়। আমি দেখা নাপালেও তেওঁৰ পৰিকল্পনাবোৰ উন্মোচিত হৈয়েই থাকে।

**যেতিয়া ঈশ্বৰে কাৰ্য কৰে, তেতিয়া ই চূড়ান্ত হয় !**





তাৰপাছত দায়ুদে পলেষ্টীয়াবিলাকক আঘাত কৰি বশীভূত কৰিলে, আৰু সিহঁতৰ হাতৰ পৰা গাঁও আৰু তাৰ উপ-নগৰবোৰ কাঢ়ি ল'লে - (১ বংশাৱলী ১৮:১)।

বছৰ বছৰ ধৰি ফিলিষ্টীয়াসকলে ইস্ৰায়েলীসকলক লুটপাত কৰিছিল। তেওঁলোকে হেৰুৱাৰ পিছত হেৰুৱাইছিল নিজৰ পৰিয়াল, নিজৰ মৰ্যাদা, নিয়মৰ চন্দুক আৰু আনকি তেওঁলোকৰ পুৰোহিত এলি। এনে লাগিল যেন পৰাজয়েই তেওঁলোকৰ ভাগ্য। শত্ৰুক শক্তিশালী যেন লাগিল আৰু ঈশ্বৰ যেন নিমাত হৈ পৰিল।

কিন্তু তাৰ পিছত আছিল সেই মুহূৰ্ত যেতিয়া ঈশ্বৰে হস্তক্ষেপ কৰিলে আৰু যেতিয়া ঈশ্বৰে কাৰ্য কৰে, তেতিয়া তেওঁৰ জয় চূড়ান্ত হয়।

বাইবেলে কৈছে যে দায়ুদে কেৱল ফিলিষ্টীয়াসকলক পৰাস্ত কৰাই নহয়; তেওঁ তেওঁলোকক বশীভূত কৰিছিল - অৰ্থাৎ তেওঁলোকে ইস্ৰায়েলৰ বিৰুদ্ধে আৰু উঠিব নোৱাৰিলে। ফিলিষ্টীয়াসকলে বাৰে বাৰে উভতি আহিছিল, কিন্তু এতিয়া ঈশ্বৰৰ শক্তিয়ে তেওঁলোকক দায়ুদৰ দ্বাৰা চেপি ধৰিলে।



**আজি আপুনি যি মিচৰীয়াক দেখিলে, তেওঁলোকক আৰু কেতিয়াও দেখা নাপাব।**

## এটি জৰুৰী জাননী !




অদূৰ ভৱিষ্যতে ইক অফ হিজ কল ডাকযোগে প্ৰেৰণৰ ক্ষেত্ৰত অনিবাৰ্য বিঘিনি ঘটিব পাৰে। যদি আপুনি বিনা বাধাই ইক অফ হিজ কল লাভ কৰিব বিচাৰে তেন্তে তৎক্ষণাত চিঠি, ই-মেইল, ফোনকল বা মেছেজ/ৱাটচ এপ্ বাৰ্তাৰ জৰিয়তে আমালৈ আপোনাৰ নাম, ঠিকনা, ই-মেইল আৰু ৱাটচ এপ্ নম্বৰ প্ৰেৰণ কৰক।

আপোনাৰ সমৰ্থনে আমাক আপোনাক ভালদৰে সেৱা আগবঢ়োৱাত সহায় কৰে।

আমাৰ ঠিকনা ঃ

**ECHO OF HIS CALL,**
**10, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005, India**
**Cell: (+91) 98412 71858 / 98410 71858 E.mail: sam@echoofhiscall.org**

এইটোৱেই হৈছে ঈশ্বৰৰ প্ৰতিজন সন্তানৰ প্ৰতি ঈশ্বৰৰ প্ৰতিজ্ঞা, যেতিয়া তেওঁ আপোনাৰ যুদ্ধত ভৰি দিব, তেতিয়া যি এবাৰ আপোনাৰ বিৰুদ্ধে উঠিছিল, সেয়া পুনৰ উত্থান নহ'ব।

... আজি আপুনি যি মিচৰীয়াক দেখিছে, তেওঁলোকক আৰু কেতিয়াও দেখা নাপাব। যাত্ৰাপুস্তক ১৪:১৩ ঈশ্বৰৰ কৰ্তত্ব আৰু তেওঁৰ লোকসকলৰ বাবে তেওঁৰ মুক্তিৰ এক শক্তিশালী সৌৰৱণী।

আপোনালোকৰ বহুতৰে বাবে শত্ৰুৱে বছৰ বছৰ ধৰি আপোনাৰ শান্তি, স্বাস্থ্য, বিত্তীয়, সম্পৰ্ক, চাকৰি, পৰিয়াল, পদোন্নতি, আশীৰ্বাদ বহুখিনি লৈ গৈছে। কিন্তু প্ৰভুৱে ঘোষণা কৰিছে।

২০২৬ চনত শত্ৰুৱে চুৰি কৰা বস্তুবোৰ পুনৰ ঘূৰাই অনাৰ বছৰ। আমেন!

দায়ূদে শত্ৰুক পৰাস্ত কৰি নিয়ন্ত্ৰণ কৰিলে। তেওঁৰ ওপৰত আৰু আধিপত্য নাছিল - তেওঁ বিজয়ী হৈ পৰিছিল। মই প্ৰাৰ্থনা কৰোঁ যে এই বছৰ আপুনি আৰু শত্ৰুৰ আক্ৰমণৰ দ্বাৰা নিয়ন্ত্ৰিত নহ'ব বৰঞ্চ যীচু খ্ৰীষ্টৰ কৰ্তৃত্বত চলিব। আপোনাৰ পৰিস্থিতি, প্ৰত্যাহ্বান আৰু বিগত বছৰবোৰৰ ব্যৰ্থতাসমূহ নিয়ন্ত্ৰণ কৰক।

ফৰিংয়ে যি খাইছে এইটোৱেই আপোনাৰ সেইটো পুনৰ উদ্ধাৰৰ বছৰ।

এইটো কেৱল আপোনাৰ বস্তুক ৰক্ষা কৰাৰ বছৰ নহয়, হেৰুৱাই পেলোৱাখিনি ঘূৰাই লোৱাৰ বছৰ!

## দায়ুদে গাৎ ঘূৰাই ল'লে - বিজয়ৰ প্ৰতীক!

ফিলিষ্টীয়াসকলক বশ কৰাৰ পিছত। দায়ূদে গাৎ - তেওঁলোকৰ অন্যতম শক্তিশালী আৰু প্ৰভাৱশালী চহৰক ঘূৰাই ল'লে।

হিব্ৰু ভাষাত মেথাগ অম্মাহৰ অৰ্থ হৈছে "মাতৃ নগৰৰ নিয়ন্ত্ৰণ" নিয়ন্ত্ৰণ আৰু কৰ্তৃত্বৰ আসন। যিয়ে গাৎক ধৰি ৰাখিছিল, তেওঁ ক্ষমতা দখল কৰিছিল।

গাৎ অছিল গলিয়াথ আৰু এসময়ত ইস্ৰায়েলক ভয় দেখুওৱা দৈত্যসকলৰ গৃহ চহৰ (১ চমূৱেল ১৭:৪;২ চমূৱেল ২১:১৫-২১)। তথাপিও ঈশ্বৰৰ শক্তিৰ বিৰুদ্ধে একোৱেই থিয় দিব নোৱাৰিলে।

এসময়ত যিটোৱে পৰাজয়ৰ প্ৰতীক আছিল, সেয়া বিজয়ৰ প্ৰতীক হৈ পৰিল।

ঠিক তেনেদৰে যিবোৰ অঞ্চলত আপুনি এসময়ত ক্ষতিৰ সন্মুখীন হৈছিল, সেইবোৰেই আপোনাৰ আটাইতকৈ ডাঙৰ জয়ৰ স্থান হৈ পৰিব। ঈশ্বৰ নিজৰ প্ৰতিজ্ঞা পূৰণ কৰিবলৈ বিশ্বাসী।

## ঈশ্বৰে কিয় দায়ুদক পক্ষপাত কৰিছিল?

দায়ূদ সিদ্ধ নাছিল। তেওঁ আছিল আৱেগিক, ক্ৰটিপূৰ্ণ আৰু ভগ্ন... তথাপি ঈশ্বৰে তেওঁক মোৰ নিজৰ হৃদয়ৰ মানুহ বুলি কৈছিল (১ চমূৱেল ১৩:১৪, পাঁচনিৰ কৰ্ম ১৩:২২)।

তেওঁৰ ওপৰত আৰু তেওঁৰ প্ৰজন্মৰ ওপৰত নিৰ্ভৰশীল অনুগ্ৰহৰ আঁৰৰ ৰহস্য কি আছিল?

## ১। দায়ুদে ঈশ্বৰক অগ্ৰাধিকাৰ দিছিল!

দায়ূদে সদায় ঈশ্বৰক প্ৰথম স্থান দিছিল। বিফলতাতো তেওঁৰ প্ৰথম সঁহাৰি আছিল অনুতাপ আৰু আত্মসমৰ্পণ।

তেওঁ চিঞৰি উঠিল, "মোৰ পৰা তোমাৰ পবিত্ৰ আত্মা কাঢ়ি নিনিবা।" (গীতমালা ৫১:১১)

তেওঁ মানুহৰ হাতত নপৰি দয়ালু ঈশ্বৰৰ হাতত পৰিবলৈ বাছি লৈছিল (২ চমূৱেল ২৪:১৪)। তেওঁ নিজৰ মুকুট, সিংহাসন বা সুনামতকৈ ঈশ্বৰৰ উপস্থিতিক অধিক মূল্য দিছিল।



মোৰ পৰা তোমাৰ পবিত্ৰ আত্মা কাঢ়ি নিনিবা

যদি আমি শত্ৰুৱে চুৰি কৰা বস্তুবোৰ পুনৰ উদ্ধাৰ কৰিব বিচাৰো, তেন্তে আমিও বুজি নোপোৱাৰ সময়তো তেওঁৰ সময়ত বিশ্বাস কৰি এই বছৰৰ আৰম্ভণিতে ঈশ্বৰক অগ্ৰাধিকাৰ দিব লাগিব।

**আমাৰ প্ৰাৰ্থনা হওক ঃ**

প্ৰভু, তুমি মোক পথ প্ৰদৰ্শন কৰা আৰু প্ৰতিষ্ঠা কৰা - আনকি যেতিয়া মই বুজি নাপাওঁ, আনকি যেতিয়া ইয়াৰ কোনো যুক্তি নাই। (হিতোপদেশ ৩:৫-৬)।

## ২। দায়ুদ আছিল সাম্ৰাজ্যৰ মনৰ মানুহ!

দায়ুদক মন্দিৰ নিৰ্মাণ কৰিবলৈ অনুমতি দিয়া হোৱা নাছিল, তথাপিও তেওঁ চলোমনৰ প্ৰয়োজনীয় সকলো বস্তু প্ৰস্তুত কৰিছিল। তেওঁ ধন-সম্পত্তি সংগ্ৰহ কৰিছিল, শান্তি নিশ্চিত কৰিছিল আৰু পৰৱৰ্তী প্ৰজন্মৰ বাবে ভেটি স্থাপন কৰিছিল।

তেওঁৰ চিন্তা ব্যক্তিগত মহিমাৰ বাবে নাছিল বৰঞ্চ ঈশ্বৰৰ মহিমাৰ বাবে আছিল।

আজিৰ পৃথিৱীত বহুতে স্বীকৃতি, অনুগামী আৰু খ্যাতি বিচাৰে। কিন্তু ঈশ্বৰৰ প্ৰকৃত সেৱকসকলে তেওঁৰ ৰাজ্যৰ উন্নতিৰ বাবে মনে মনে কাম কৰে। ঈশ্বৰে আপোনাৰ অদৃশ্য পৰিশ্ৰম দেখে। তেওঁ হৈছে পুৰস্কাৰদাতা।

যদি আমি স্বৰ্গৰ দৰে পৃথিৱীলৈ ঈশ্বৰৰ ৰাজ্য অহাটো কামনা কৰোঁ। তেন্তে আমি তেওঁৰ ৰাজ্যৰ মানসিকতা গঢ়ি তুলিব লাগিব।

৬ পৃষ্ঠাত চাওক

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1999

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

**প্ৰশংসা আৰু প্ৰাৰ্থনাৰ অনুৰোধবোৰ**

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)

**২০২৬ বৰ্ষৰ ১৯ জানুৱাৰীৰ পৰা ২০২৬ বৰ্ষৰ ১৮ ফেব্ৰুৱাৰীলৈ**

## ✝ ঈশ্বৰক প্ৰশংসা কৰো কাৰণ ...

**১৯ জানুৱাৰী** ঃ আমাৰ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীত অৰ্থপূৰ্ণ আৰু প্ৰভাৱশালী বৰদিন আৰু নৱবৰ্ষ উদ্‌যাপন কৰাত আমাক সহায় কৰাৰ বাবে।

**২০ জানুৱাৰী** ঃ আমাৰ প্ৰাৰ্থনা অংশীদাৰ, চাবস্ক্ৰাইবিং অংশীদাৰ, বিশ্বাস অংশীদাৰ, জীৱন অংশীদাৰ, মহান আজ্ঞাৰ অংশীদাৰ আৰু তেওঁলোকৰ পৰিয়ালৰ ওপৰত তেওঁৰ প্ৰচুৰ দয়াৰ বাবে।

**২১ জানুৱাৰী** ঃ যুৱ আৰু শিশুৰ যত্ন পৰিচৰ্যাৰ বাবে আমাৰ গ্ৰেৱেল ভিজনক আশীৰ্বাদ কৰাৰ বাবে।

**২২ জানুৱাৰী** ঃ আমাৰ ইউটিউব সেৱাক আশীৰ্বাদ দিয়া, আমাৰ ৫ মিনিটৰ বাৰ্তাসমূহ অনাগত লোকসকলৰ ওচৰলৈ যাবলৈ সক্ষম কৰাৰ বাবে।

**২৩ জানুৱাৰী** ঃ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰমৰ সকলো কাৰ্যকলাপৰ বাবে।

**২৪ জানুৱাৰী** ঃ ১৬ টা ভাষাত আমাৰ প্ৰকাশনৰ ওপৰত তেওঁৰ আশীৰ্বাদ, আমাৰ প্ৰেছত ছপা কৰা আৰু মিছন ক্ষেত্ৰত বিতৰণ কৰাৰ বাবে।

**২৫ জানুৱাৰী** ঃ আমাৰ জ্যেষ্ঠ পালকৰ বহুমুখী সেৱাৰ জৰিয়তে শুভবাৰ্তা ঘোষণা কৰাৰ বাবে তেওঁৰ অটল প্ৰতিশ্ৰুতিৰ বাবে।

**২৬ জানুৱাৰী** ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালক সু-স্বাস্থ্য আৰু ঐশ্বৰিক সুৰক্ষাৰ সৈতে আশীৰ্বাদ দিয়াৰ বাবে।

**২৭ জানুৱাৰী** ঃ মণ্ডলীৰ সকলো কাৰ্যকলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ যুৱক-যুৱতীসকলক উৎসাহেৰে আশীৰ্বাদ দিয়াৰ বাবে।

**২৮ জানুৱাৰী** ঃ আমাৰ অংশীদাৰসকলৰ প্ৰাৰ্থনা আৰু আৰ্থিক সহায়ৰ দ্বাৰা আমাক আশীৰ্বাদ দিয়াৰ বাবে।

**২৯ জানুৱাৰী** ঃ আমাৰ সকলো সহযোগী সম্পাদক আৰু তেওঁলোকৰ পৰিয়ালক আশীৰ্বাদ দিয়াৰ বাবে।

**৩০ জানুৱাৰী** ঃ আমাৰ পালক আৰু কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীৰ জ্যেষ্ঠ নেতসকলক আশীৰ্বাদ দিয়াৰ বাবে।

**৩১ জানুৱাৰী** ঃ কেন্দ্ৰ মণ্ডলী আৰু শাখাত আমাৰ শিশু সেৱাক আশীৰ্বাদ দিয়া মণ্ডলীসমূহৰ বাবে।

**০১ ফেব্ৰুৱাৰী**ঃ আমাৰ জ্যেষ্ঠ পালকৰ মন্ত্ৰী ভ্ৰমণক আশীৰ্বাদ দিয়াৰ বাবে।

**০২ ফেব্ৰুৱাৰী**ঃ ঈশ্বৰৰ বাক্যৰ শক্তি কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলীত আমাৰ দেওবৰীয়া উপাসনাত প্ৰকাশ পোৱাৰ বাবে।

**০৩ ফেব্ৰুৱাৰী**ঃ২০২৬ চনৰ বাবে আমাৰ জ্যেষ্ঠ পালকক দিয়া নতুন দৃষ্টিভংগীৰ বাবে।

## ✝ অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

**০৪ ফেব্ৰুৱাৰী** ঃ ইজৰাইল, পেলেষ্টাইন, ৰাছিয়া, ইউক্ৰেইনৰ শান্তিৰ বাবে।

**০৫ ফেব্ৰুৱাৰী** ঃ আমাৰ জ্যেষ্ঠ পালক ৰেভাৰেণ্ড এছ, চাম চেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালৰ সকলো দুষ্ট শক্তিৰ পৰা সুৰক্ষাৰ বাবে।

**০৬ ফেব্ৰুৱাৰী** ঃ সকলো খ্ৰীষ্টিয়ান সংগঠন আৰু মণ্ডলীৰ ওপৰত ঈশ্বৰৰ আশীৰ্বাদ আৰু সুৰক্ষাৰ বাবে।

**০৭ ফেব্ৰুৱাৰী** ঃ আমাৰ কাৰ্যালয়ৰ কৰ্মচাৰী আৰু প্ৰিণ্টিং কৰ্মচাৰীৰ বাবে সু-স্বাস্থ্যৰ বাবে।

**০৮ ফেব্ৰুৱাৰী** ঃ বিশ্ব অৰ্থনৈতিক মন্দাৱস্থাৰ অন্ত পৰাৰ বাবে।

**০৯ ফেব্ৰুৱাৰী** ঃ মিছনেৰী আৰু ঈশ্বৰৰ সেৱকৰ বিৰুদ্ধে হিংসাৰ অন্ত পৰাৰ বাবে।

**১০ ফেব্ৰুৱাৰী** ঃ সমগ্ৰ বিশ্বৰ সকলো মহিলা আৰু শিশুৰ সুৰক্ষাৰ বাবে।

**১১ ফেব্ৰুৱাৰী** ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ যুৱ আৰু শুভবাৰ্তা নেপোৱা ঠাইত পৰিচৰ্যাৰ বাবে।

**১২ ফেব্ৰুৱাৰী** ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি কল পৰিচৰ্য্যাসমূহৰ বাবে প্ৰয়োজনীয় ধনৰ বাবে।

**১৩ ফেব্ৰুৱাৰী** ঃ ৰাজহুৱা আৰু চৰকাৰী পৰীক্ষাৰ বাবে প্ৰস্তুতি চলোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে সফলতা আৰু ঐশ্বৰিক পথ প্ৰদৰ্শনৰ বাবে।

**১৪ ফেব্ৰুৱাৰী** ঃ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল আৰু নহিমিয়া বাইবেল কলেজৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত ঈশ্বৰৰ সুৰক্ষাৰ বাবে।

**১৫ ফেব্ৰুৱাৰী** ঃ অসুস্থতা, দৰিদ্ৰতা, অনাহাৰে ভুগি থকা লোকসকলৰ সকাহৰ বাবে।

**১৬ ফেব্ৰুৱাৰী** ঃ মদ্যপায়ী আৰু অন্যায়কাৰীৰ ৰূপান্তৰ আৰু অনুতাপৰ বাবে।

**১৭ ফেব্ৰুৱাৰী** ঃ এই মাহত আমাৰ সকলো প্ৰয়োজনত প্ৰভুৰ ব্যৱস্থাৰ বাবে।

**১৮ ফেব্ৰুৱাৰী** ঃ বিশ্বজুৰি শিশু আৰু যুৱক-যুৱতীসকলক মোবাইল ফোন আৰু অনলাইন গেমৰ নিচাৰ পৰা সুৰক্ষাৰ বাবে।

....Contd. from page 4

কোনো ক্ৰেডিট পায়, ফেচবুক লাইক, ইনষ্টাগ্ৰাম ফ'ল'ৱাৰ বা ইউটিউব চাবস্ক্ৰাইবাৰ কোনো পায় সেইটো নহয়। যীচু খ্ৰীষ্টৰ বাবে অনুগামী বা গ্ৰাহক গোট খোৱাৰ কথা নহয় — কিন্তু ইয়াত হৈ থকা কামৰ কথা।

২০২৬ চনটো এনে এটা বছৰ হওক য'ত আমি নিজৰ বাহিৰত চিন্তা কৰোঁ ঈশ্বৰৰ ৰাজ্যৰ উদ্দেশ্যৰ বছৰ।

আপুনি যি কৰে, আপোনাৰ সকলো শক্তিৰে কৰক। (উপদেশক ৯:১০), ঈশ্বৰৰ মহিমাৰ বাবে।

## ৩। দায়ুদে সকলো কথাতে ঈশ্বৰক মহিমা দিলে!

দায়ুদে স্বীকাৰ কৰিছিল যে প্ৰতিটো বিজয় ঈশ্বৰৰ পৰাই আহিছে।

তেওঁ পৰাজয়ী জাতিসমূহৰ পৰা লৈ অনা সোণ, ৰূপ আৰু পিতল প্ৰভুৰ বাবে উৎসৰ্গা কৰিছিল।

... দায়ুদে সোণৰ ঢালবোৰ সোলোকাই যিৰূচালেমলৈ লৈ গ'ল...আৰু যিহোৱাৰ আগত উৎসৰ্গা কৰিলে। ২ চমূৱেল ৮:৭,১১।

এসময়ত শত্ৰুৰ বাবে যি বস্তুবোৰ গৌৰৱ আছিল, দায়ুদে সেইবোৰক আনি ঈশ্বৰৰ ওচৰত উৎসৰ্গা কৰিলে- চলোমনে সমুদ্ৰ পাত্ৰ, স্তম্ভ আৰু আন আন পবিত্ৰ বস্তু নিৰ্মাণ কৰিলে।

গতিকে শাস্ত্ৰই ঘোষণা কৰিছে ঃ

"... এইদৰে দায়ুদ যি যি ঠাইলৈ যায়, সেই সকলোতে যিহোৱাই তেওঁক জয়ী হ'বলৈ দিয়ে। ২ চমূৱেল ৮:৬।

দায়ুদে যিমানেই ঈশ্বৰক সন্মান কৰিছিল, সিমানেই ঈশ্বৰে তেওঁক সন্মান কৰিছিল। আনকি তেওঁৰ শত্ৰুৱেও তেওঁক শ্ৰদ্ধাঞ্জলি জনাইছিল।

পাছে হদদেজৰৰ সকলো সৈন্যসামন্তক আঘাত কৰা কথা হমাতৰ ৰজা তোৱীয়ে শুনি, দায়ুদ ৰজাৰ মঙ্গল সুধিবলৈ আৰু যুদ্ধত হদদেজৰক আঘাত কৰা বাবে তেওঁক ধন্যবাদ তেওঁৰ পুত্ৰ যোৰামক তেওঁৰ ওচৰলৈ পঠালে। পাছে যোৰামে ৰূপৰ, সোণৰ আৰু পিতলৰ পাত্ৰ হাতত লৈ আহিল ... দায়ুদ ৰজাই ৰূপ আৰু সোণ তাৰ লগতে এইবোৰকো যিহোৱাৰ আগত উৎসৰ্গা কৰিলে (২ চমূৱেল ৮:৯,১০,১১,১২)।



ৰজা দায়ুদে সোণ, ৰূপ আৰু পিতল প্ৰভুৰ বাবে উৎসৰ্গা কৰিলে।

প্ৰিয় ভাই-ভনীসকল, আহক আমি এই বছৰৰ আৰম্ভণিতে নিৰ্ধাৰণ কৰোঁ যে আমি পোৱা সকলো বস্তু ঈশ্বৰৰ।

সকলো উত্তম দান আৰু সকলো সিদ্ধ বৰ ওপৰৰ পৰাহে হয়। (যাকোব ১:১৭)।

ঈশ্বৰে আমাক দিয়া আটাইতকৈ ডাঙৰ উপহাৰটো আমি কেতিয়াও পাহৰি নাযাওঁ - তেওঁৰ পুত্ৰ যীচুখ্ৰীষ্টক।

আমি যাতে আত্মবিশ্বাসেৰে থিয় দিব পাৰো তাৰ বাবে তেওঁ আমাৰ যন্ত্ৰণা বহন কৰিছিল।

তেওঁ আমাৰ পাপ আৰু অভিশাপ লৈ আমাক আশীৰ্বাদলৈ ৰূপান্তৰিত কৰিলে।

## আপোনাৰ পুনৰুদ্ধাৰ আৰু বিজয়ৰ বছৰ !

প্ৰিয়জন, ২০২৬ চনটো কেৱল আপোনাৰ হাতত থকাখিনি ৰক্ষা কৰাৰ বছৰ নহয় !

শত্ৰুৱে চুৰি কৰা বস্তু ঘূৰাই লোৱাটো এবছৰ।

হেৰুৱা মাটি উদ্ধাৰ কৰিবলৈ, আনন্দ পুনৰ লাভ কৰিবলৈ আৰু ভঙাখিনি পুনৰ নিৰ্মাণ কৰিবলৈ এবছৰ।

## দায়ুদৰ দৰে, কেতিয়া আপুনি ঃ

- ঈশ্বৰক অগ্ৰাধিকাৰ দিব।
- এটা সাম্ৰাজ্যৰ মানসিকতাক লৈ জীয়াই থাকক।

৯ পৃষ্ঠাত চাওঁক

নহিমিয়া বাইবেল সন্ধ্যা মহাবিদ্যালয়
Chepauk & Santhoshapuram, Velachery Chennai.
অৰ্হতা ঃ দশম শ্ৰেণী উত্তীৰ্ণ
ডিপ্লমা ইন থিয়লজি & Bachelor of Theology
Medium :Tamil (Part Time)
Hindi (Residential) (Sponsorship Available)
নামভৰ্তিৰ বাবে সোনকাল কৰক!
Recognised by International Christian Leaders & Senior Pastors for the past 56 years
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## মুখ্য কাৰ্য্যালয়ৰ কাৰ্য্যক্ৰমবিলাক

১। প্ৰাৰ্থনা সেৱা : ২৪ ঘণ্টা
২। **বিব্ৰিকৰ** - বাইবেল সম্বন্ধীয় যোগাযোগ প্ৰশিক্ষণ : ইংৰাজী, হিন্দী আৰু তামিল।
৩। **তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি** আলোচনী :
ইংৰাজী, তামিল, মালায়ালম, তেলেগু, হিন্দী, কানাড়া, মাৰাঠী, গুজৰাটী, বেঙ্গলী, উৰিয়া, নেপালী, অসমীয়া, পঞ্জাবী; উৰ্দু, সিংহলী আৰু আফ্রিকান।
৪। নহিমিয়া বাইবেল মহাবিদ্যালয় (দুটা শাখা)।
৫। ঈশ্বৰ বিষয়ক যোগাযোগৰ পাঠ্যক্ৰম : ইংৰাজী আৰু তামিল।
৬। প্ৰধান আজ্ঞাৰ অংশীদাৰসকল
৭। প্ৰশিক্ষণ কাৰ্যসূচীবোৰ।
৮। সভা।
৯। পত্ৰিকা পৰিচৰ্যা - স্থিৰভাৱে অনুসৰণ কৰা।
১০। শুভবাৰ্ত্তা মুদ্ৰণ - ছপাশালা প্ৰকাশ কৰা।
১১। চেইণ্ট পৌল মেট্ৰিকুলেশন স্কুল - গ্ৰাম্য ইংৰাজী উচ্চ মাধ্যমিক বিদ্যালয়।
১২। দেওবৰীয়া স্কুল : (চেপাক) পুৱা ১০.৩০ দেওবাৰ আৰু (ভেলাচেৰী, বালাজী নগৰ আৰু সন্তোষাপুৰম) আবেলি ৩.০০ দেওবাৰ
১৩। **পুৱতী নিশাৰ প্ৰাৰ্থনা** : দেওবাৰ ৫.৩০ বজাত
১৪। **প্ৰাথমিক আৰাধনা** : দেওবাৰ ৮.০০ দেওবাৰ
১৫। **তামিল উপাসনা** : পুৱা ৮.৩০ দেওবাৰ
১৬। **যুৱক-যুৱতীসকলৰ উপাসনা** : দেওবাৰ ১১.০০ বজাত
১৭। **সহভাগিতাৰ আহাৰ** : দেওবাৰে ১.০০ দেওবাৰ
১৮। **হিন্দী উপাসনা** : আবেলি ৫.০০ দেওবাৰ
১৯। **তেলেগু উপাসনা** : আবেলি ৪.০০ দেওবাৰ
২০। **ইংৰাজী আৰু তামিল সেৱা** : সন্ধ্যা ৬.০০ বজাত দেওবাৰ
২১। মতামতৰ সময় : দেওবাৰ ৭.৩০ বজাত
২২। মহিলাসকলৰ প্ৰাৰ্থনা সভা : সন্ধ্যা ৫.৩০ বজাত বুধবাৰ
২৩। পুৰুষসকলৰ বিশেষ উপাসনা : গধূলি ৭.৩০ বজাত শুক্ৰবাৰ
২৪। কৰ্ম্মকৰ্ত্তা সকলৰ সভা : সন্ধ্যা ৬.০০ বজাত শনিবাৰ
২৫। শিষ্যত্বৰ সভা : সন্ধ্যা ৬.০০ বজাত শনিবাৰ
২৬। গৃহ সভা : সন্ধ্যা ৬.৩০ বজাত মঙ্গলবাৰ আৰু বৃহস্পতিবাৰ
২৭। বিশেষ প্ৰভু ভোজ : পুৱা ৬.০০ প্ৰত্যেক মাহৰ প্ৰথম দিনত
২৮। পৰিচৰ্যাকাৰীসকলৰ সভা : গধূলি ৬.০০ প্ৰথম শনিবাৰ
২৯। অভিভাৱক সকলৰ প্ৰাৰ্থনা সভা : আবেলি ৪-০০ বজাত প্ৰথম দেওবাৰ
৩০। নিশাৰ প্ৰাৰ্থনা : গধূলি ৯.৩০ দ্বিতীয় শুক্ৰবাৰ
৩১। উপবাস প্ৰাৰ্থনা : পুৱা ৯.৩০ তৃতীয় শনিবাৰ
৩২। প্ৰভু ভোজ : দ্বিতীয় দেওবাৰৰ উপাসনাত
৩৩। যুৱক-যুৱতী/শিশুসকলৰ প্ৰাৰ্থনা : প্ৰতিদিনে ৰাতি ১০.০০ বজাত (ফোনৰ জৰিয়তে)
৩৪। কৰ্মচাৰী সকলৰ উপাসনা : পুৱা ৯.০০ টা দৈনিক
৩৫। কাৰ্যালয় : পুৱা ৯.০০ টাৰ পৰা ৰাতি ৯.০০লৈ (দেওবাৰৰ বাদে)।

### ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৱল ভাৰতীয়সকলৰ বাবে

#### ১। বিব্ৰিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি হিন্দী, ইংৰাজী আৰু তামিল ভাষাত **আপোনাৰ-বাবে-নতুন জীৱন** নামেৰে এখন ৭০ পৃষ্ঠাজোৰা পাঠ্যক্ৰমৰ কিতাপ আগবঢ়াইছো এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। এই পাঠ্যক্ৰম কেৱল ভাৰতত থকা প্ৰাৰ্থীসকলৰ বাবে।

#### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক।

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

***For more details, write to us.***

**The Chairman, Nehemiah Bible College,**
Echo of His Call, **Post Box 2957**
CHEPAUK, CHENNAI - 600 005.
**Ph.: (044) 2852 8282, 2852 9293, 2854 7766,**
**Cell : 98410 71852, 95661 31858**
**E.mail : biblecor@yahoo.co.in**

### মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

### TAX EXEMPTION

Donations by any individual or organization from India to **Echo of His Call Educational Trust** are eligible for Income Tax exemption under Section 80G of the Income Tax Act. Official receipts will be issued for this purpose. Please make your Demand Drafts / Cheques / M.O. for such donations in favour of **Echo of His Call Educational Trust** and send to us, along with your Aadhar Number and PAN for getting Income Tax Exemption.

| | |
|---|---|
| **Account Name** | : **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : **1023 2923 805** |
| **Bank Name** | : **STATE BANK OF INDIA** |
| **Branch** | : **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : **SBIN 0000249** |
| **SWIFT Code** | : **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ
## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

## মোৰ জীৱনত তেওঁৰ নিৰ্দেশিকা আৰু সময়োচিত আয়োজন

### তেওঁ তেওঁলৈ ভয় ৰখোতাবিলাকৰ বাঞ্ছা পূৰ্ণ কৰিব - গীতমালা ১৪৫: ১৯ পদ।

প্ৰভু যীচু খ্ৰীষ্টই মোক অনুগ্ৰহ কৰি ১৯৮২ চনত চেন্নাই (মাদ্ৰাজ)ৰ চেপাউকত মণ্ডলীৰ সেৱা আৰম্ভ কৰিবলৈ সক্ষম কৰিলে। আৰম্ভণিৰ পৰাই মণ্ডলীয়ে আৰ্থিক সীমাবদ্ধতাৰ লগতে অঞ্চলটোৰ খ্ৰীষ্টিয়ান বিৰোধী ব্যক্তিসকলৰ বিৰোধিতা আৰু ঈৰ্ষাৰ বাবে এখন ঠাইৰ পৰা অন্য ঠাইলৈ স্থানান্তৰিত হোৱাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছিল।

অৱশেষত আমি দেওবাৰৰ উপাসনা সেৱা এটা ঘৰৰ ভিতৰত থকা সৰু কোঠা এটাত চলাই আছিলো, য'ত বায়ু চলাচলৰ ব্যৱস্থা নাছিল। এই ঘৰটোৰ মালিক আছিল এজন প্ৰিয় ভাই শ্ৰীমান জৰ্জ।

এই বিশেষ উপাসনা সেৱাৰ সময়ত প্ৰভুৱে অভাৱনীয় আৰু শক্তিশালীভাৱে মোৰ আত্মাক আমাৰ নিজৰ একোটা স্থানত বিশাল অট্টালিকাৰ বাবে তেওঁক বিশ্বাস কৰিবলৈ প্ৰেৰণা দিলে। তেওঁ মোক এই কথা মণ্ডলীৰ লগত শ্বেয়াৰ কৰিবলৈ আৰু তেওঁলোকৰ প্ৰাৰ্থনাৰ সমৰ্থন বিচাৰিবলৈও নেতৃত্ব দিলে। মই প্ৰভুৰ আজ্ঞা পালন কৰিবলৈ আৰু উপাসনাৰ সময়ত এই দৰ্শনৰ বিষয়ে জনাইছিলো।

অৱশ্যে মোৰ কথা শুনা মানুহবোৰে উপহাস আৰু অবিশ্বাসেৰে উত্তৰ দিলে —

* কিছুমানে মোক কটু চেহেৰাৰে উপহাস কৰিছিল।
* আন কিছুমানে প্ৰশ্ন কৰিছিল, "আমাৰ দুৰ্বল আৰ্থিক অৱস্থাৰ সৈতে আমাৰ বাবে মাটি কিনাটোও সম্ভৱনে?"
* কিছুমানে আধ্যাত্মিক হেঁচা যোগ কৰি ক'লে, "আমাৰ হাতত টকা থাকিলেও ইমান ঘন জনবসতিপূৰ্ণ অঞ্চলত বিক্ৰীৰ বাবে মাটি ক'ত পাম?"
* আনকি দুই এজনে মোক সমালোচনা কৰি সুধিছিল, "ঈশ্বৰৰ মানুহ এজনে ঈশ্বৰৰ নামত এনে অবাস্তৱিক কথা কোৱাটো উচিত নেকি?"

এই সকলোবোৰ প্ৰতিক্ৰিয়াই মোক বৰ বিভ্ৰান্তি আৰু হতাশাৰ মাজলৈ ঠেলি দিলে। আনকি বিচাৰি নাপালোঁ বিশ্বাসৰ এই পদক্ষেপ গ্ৰহণ কৰাত মোৰ লগত থিয় দিব পৰা এজন অকলশৰীয়া ব্যক্তি। সাধাৰণ জনতাই এই সিদ্ধান্তত উপনীত হ'লে যে খ্ৰীষ্টিয়ান প্ৰচাৰকসকলে অবাস্তৱ আৰু অগ্ৰাহ্যযোগ্য কাহিনী কোৱাতকৈ উত্তম কাম একোৱেই নাই। তেওঁলোকে ঈশ্বৰৰ দৰ্শন চিনি পোৱাত ব্যৰ্থ হ'ল।

তথাপিও মই হতাশ হোৱা নাছিলো। বৰঞ্চ প্ৰভুৱে মোক সান্ত্বনা দিলে আৰু তেওঁৰ ওপৰত দৃঢ়ভাৱে নিৰ্ভৰ কৰাৰ অনুগ্ৰহ দিলে - আমাৰ বিশ্বাসৰ লেখক আৰু সমাপ্তকাৰী (ইব্ৰী ১২:২)। তেওঁ মোৰ হৃদয়ক তেওঁৰ বাক্যৰ দ্বাৰা শক্তিশালী কৰিলে ঃ

"হে পোক, যাকোব, হে ইস্ৰায়েল লোকবিলাক, ভয় নকৰিবা। যিহোৱাই কৈছে, ময়েই তোমাক সহায় কৰিম," আৰু ইস্ৰায়েলৰ পবিত্ৰ জনাই তোমাক সহায় কৰিম আৰু ইস্ৰায়েলৰ পবিত্ৰ জনাই তোমাৰ মুক্তিদাতা। "চোৱা, মই তোমাক এক নতুন চোকা দাঁত থকা মৰণা মাৰি গুড়ি কৰিবা আৰু গিৰিবোৰক তুহঁৰ নিচিনা কৰিবা।" যিচয়া ৪১:১৪-১৫ পদ।

দিন পাৰ হৈ গ'ল। ঈশ্বৰে মোক সকলো মানুহৰ আগত সন্মান জনাইছিল আৰু অনুগ্ৰহ কৰি মোক দৰ্শন দিয়া স্থানতেই তেওঁৰ পৰিচৰ্যাৰ বাবে এক আচৰিত ঠাইৰ ব্যৱস্থা কৰিছিল।

কিন্তু এবাৰ ঠাইখন পাই মোৰ হাতত সম্পত্তিটো ক্ৰয় কৰিবলৈ টকা নাছিল — ঠিক মানুহে আশা কৰা ধৰণে। মই বিভিন্ন জনাজাত উৎসৰ পৰা সহায় বিচাৰিছিলো, কিন্তু কোনেও আগবাঢ়ি নাহিল, কিয়নো মই আৰ্থিকভাৱে অতি দুখীয়া আছিলো। এই আশাহীন পৰিস্থিতিত চৰকাৰে নিজেই মোক সম্পত্তিটো কিনিবলৈ ব্যক্তিগত বিল্ডিং আগধন দিছিল, যিহেতু সেই সময়ত মই চৰকাৰী চাকৰি কাম কৰি আছিলো। এইটো সম্ভৱ কৰিবলৈ ঈশ্বৰে এজন অখ্ৰীষ্টিয়ান বন্ধু শ্ৰীমান কান্নান আৰু এজন খ্ৰীষ্টান ভাই শ্ৰীমান এম পি জেয়া কুমাৰক ব্যৱহাৰ কৰিছিল।

যীচু খ্ৰীষ্ট বিশ্বাসী। যীচু খ্ৰীষ্ট সকলো সময়তে ভাল আৰু সকলো সময়তে যীচু খ্ৰীষ্ট ভাল! আমি কি যে আচৰিত ঈশ্বৰৰ সেৱা কৰোঁ! যিহোৱা যে মঙ্গলময়, তাক তোমালোকে আস্বাদন কৰি চোৱা। গীতমালা ৩৪:৮।

আজি এই বাৰ্তাটো লিখাৰ সময়তো মোৰ জীৱনটো ৰুক্ষ আৰু প্ৰত্যাহ্বানেৰে ভৰা হৈয়েই আছে। ১৬ টা ভাষাত ছপা হোৱা তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ মাহেকীয়া আলোচনী, ৩ টা ভাষাত বাইবেলক'ৰ ক'ৰেছপণ্ডেন্স আৰু ট্ৰেইনিং কোৰ্চ, নহিমিয়া বাইবেল কলেজ, প্ৰতি দেওবাৰে সাতটা উপাসনা সেৱা থকা মুখ্য মণ্ডলী, ছেইণ্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল (ভিলেজ হাইস্কুল), শুভবাৰ্তা প্ৰিণ্টিং আদি বহুতো ঈশ্বৰ-প্ৰদত্ত সেৱা আগবঢ়াই থাকোঁতে মোক দৈনিক অসুবিধা আৰু অকথিত বোজাই হেঁচা মাৰি ধৰিছে প্ৰেছ, আৰু ইয়াৰ লগত জড়িত সকলো প্ৰশাসনিক দায়িত্ব।

পৰিচৰ্যা আৰু প্ৰশাসন দুয়োটাতে মই ক'ব নোৱাৰা ব্যক্তিগত সংগ্ৰাম, প্ৰত্যাহ্বান আৰু ব্যৰ্থতাৰ সন্মুখীন হওঁ। বহু ৰাতি টোপনি নোহোৱা হৈ গৈছে আৰু মই টোপনি নাহিলে ভাল পাওঁ। এই সকলোবোৰ কষ্টৰ মাজেৰে মই শিকিছোঁ যে আন্ধাৰ, দুষ্ট হেঁচা আৰু আশাহীনতাৰে ভৰা এই জগতখনত প্ৰভু যীচু খ্ৰীষ্টেই একমাত্ৰ বিশ্বাসী আৰু নিৰ্ভৰশীল হোৱাৰ যোগ্য। তেওঁৰ অবিচল পথ আৰু ঐশ্বৰিক প্ৰভিডেন্সৰ অভিজ্ঞতা মই ব্যক্তিগতভাৱে অনুভৱ কৰিছোঁ। এটা সুপৰিচিত গীতৰ তলৰ শাৰীকেইটাই মোৰ যাত্ৰাক প্ৰকাশ কৰিছে ঃ

নেতৃত্ব দিয়ক, দয়ালু পোহৰ, আওৰি থকা অন্ধকাৰৰ মাজত,
নেতৃত্ব দিয়ক তুমি মোক দিয়া!
ৰাতি আন্ধাৰ, মই ঘৰৰ পৰা বহু দূৰত; নেতৃত্ব তুমি মোক!
তুমি মোৰ ভৰি ৰখা; মই চাবলৈ নিবিচাৰো
দূৰৈৰ দৃশ্য; মোৰ বাবে এখোজ যথেষ্ট।

মোৰ দৈনন্দিন জীৱন পৰীক্ষা আৰু অসুবিধাৰে ভৰি আছে, তথাপিও মোৰ ধন্য আশ্বাস আছে যে যেতিয়া মই এই পৃথিৱীত মোৰ কাম সম্পূৰ্ণ কৰিম, তেতিয়া মই মোৰ স্বৰ্গীয় ঘৰত প্ৰৱেশ কৰিম, মোৰ প্ৰভু যীচু খ্ৰীষ্টক মুখামুখিকৈ লগ পাম আৰু সেই গৌৰৱময় মুহূৰ্তত তেওঁক আকোঁৱালি লম আৰু তেওঁৰ সৈতে মোৰ সকলো পাৰ্থিৱ অভিজ্ঞতা ভাগ কৰিম। সেই সুন্দৰ দিনটোৰ বাবে মই আগ্ৰহেৰে অপেক্ষা কৰি আছোঁ। সেই দিনটোৱেই হ'ব আটাইতকৈ ধন্য দিন!



প্ৰিয় বন্ধু, আপোনাৰ এই আশা আৰু আকাংক্ষা আছেনে?

*************

....Contd. from page 6

- মানসিকতা আপোনাৰ হাতত থকা সকলোৰে তেওঁক সন্মান কৰক।

... আপুনি আপোনাৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে ঈশ্বৰৰ আচৰিত অনুগ্ৰহ আৰু বিজয় দেখিব।

... প্ৰভুৱে য'তেই গৈছিল দায়ূদক বিজয় দিছিল। (চমূৱেল ৮:৬)



আপুনি আপোনাৰ জীৱনৰ প্ৰতিটো ক্ষেত্ৰতে ঈশ্বৰৰ আচৰিত অনুগ্ৰহ আৰু বিজয় দেখিব।



**য'তেই গৈছিল প্ৰভুৱে দায়ূদক বিজয় দিছিল**

২০২৬ চনত আপোনাৰ এই সাক্ষ্য হওক যে আপুনি য'তেই নাযাওক কিয় প্ৰভুৱে আপোনাক জয় দিয়ে।

এসময়ত ভয় কঢ়িয়াই অনা ঠাইখনেই আপোনাৰ বিশ্বাসৰ দুৰ্গ হওক।




ভগৱানে আপোনাক আশীৰ্বাদ কৰক! আৰু বিজয়ী নতুন বছৰ হওক!

*************

**NOTICE**

Save our mobile numbers (+91) 98410 71858, (+91) 98412 71858 (main numbers) in your mobile phones.

- Editor

Posted at "Egmore RMS Patrika Channel" RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## OUR BANK DETAILS:

### 1. Bank : State Bank of India

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### 2. Bank : ICICI Bank

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### 3. Bank : State Bank of India

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

## OUR QR CODE:

ECHO OF HIS CALL

Scan to pay with any UPI app

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**
*****
**E.mail : sam@echoofhiscall.org**

# তেওঁৰ আহবানৰ প্ৰতিধ্বনি

১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেবা ইত্যাদি

বাৰ্ষিক বৰঙণি ১০০/- টকা | জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.

**ECHO OF HIS CALL**
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.org

**YOU CAN SEND YOUR DONATION ONLINE ALSO**

**Regd. with the RNI under No. TNASS/2000/2335**
**Licenced to post without pre-payment**
**Postal Regn. No. TN/CH (C) /204/24-26**
**Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26**
**Date of Publication: Second week of every month**
**Date of Posting : 11th & 12th of every month**
**Posted at "Egmore RMS Patrika Channel" on 12th JANUARY 2026.**
**If un-delivered please return to:**
**ECHO OF HIS CALL (ASSAMESE)**
**P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.**
**Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766**

*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**